**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্ৰাজিলৰ ৰাষ্ট্ৰপতিৰ পৰা টেলিফোন কল লাভ (আগষ্ট 07, 2025)**

আগষ্ট 08, 2025

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি (আগষ্ট 07, 2025) ব্ৰাজিলৰ ৰাষ্ট্ৰপতি, মহামহিম, শ্ৰী লুইজ ইনাচিঅ' লুলা ডা ছিলভাৰ পৰা এটা টেলিফোন কল লাভ কৰে।

প্ৰধানমন্ত্ৰীয়ে যোৱা মাহত ব্ৰাজিল ভ্ৰমণৰ কথা স্মৰণ কৰে, য'ত দুয়োগৰাকী নেতাই বাণিজ্য, প্ৰযুক্তি, শক্তি, প্ৰতিৰক্ষা, কৃষি, স্বাস্থ্য আৰু জনসাধাৰণৰ সম্পৰ্কত সহযোগিতা শক্তিশালী কৰাৰ বাবে এক পৰিকাঠামোৰ ওপৰত সহমতত উপনীত হয়।

এই আলোচনাসমূহৰ ওপৰত ভিত্তি কৰি তেওঁলোকে ভাৰত-ব্ৰাজিল কৌশলগত অংশীদাৰিত্বক নতুন উচ্চতালৈ লৈ যোৱাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰে।

দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থৰ বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ৰ ওপৰত মত বিনিময় কৰে।

দুয়োগৰাকী নেতাই ভৱিষ্যতেও যোগাযোগ অব্যাহত ৰাখিবলৈ সন্মত হয়।

নতুন দিল্লী

আগষ্ট 07, 2025